টি.জি.-ফেম চিৰিজ
(লক্ষ্য গোট বিত্তীয় সাক্ষৰতা সজাগতা বাৰ্তা)






# বিত্তীয় সাক্ষৰতা

## জ্যেষ্ঠ নাগৰিকৰ কাৰণে

বিত্তীয় অন্তৰ্ভুক্তি আৰু বিকাশ বিভাগ, ভাৰতীয় ৰিজাৰ্ভ বেংক

| বাৰ্তা ১ |
| --- |
| ভুৱা আঁচনি আৰু কেলেংকাৰীৰ পৰা সাৱধান |

| বাৰ্তা ২ |
| --- |
| কেনেকৈ বেংক আৰু বেংকিং লোকপালত অভিযোগ দাখিল কৰিব জানি লওক |

| বাৰ্তা ৩ |
| --- |
| সম্পদ পৰিকল্পনাৰ উপকৰণ সমূহ |

| বাৰ্তা ৪ |
| --- |
| যদি আপুনি এগৰাকী পেঞ্চনাৰ, তেন্তে আপেনাৰ মুখত হাঁহি বিৰিঙিবলৈ উপযুক্ত কাৰণ আছে। |

| বাৰ্তা ৫ |
| --- |
| অবসৰৰ পিছৰ বাবে সুবিধাজনক বিনিয়োগৰ উপাদান। |



## বাৰ্তা -১ ভূৰা আঁচনি আৰু কেলেংকাৰীৰ পৰা সাৱধান



# ৰিপোৰ্ট আৰু সহায়ক অধিনিয়ম

কেলেংকাৰীৰ সম্পৰ্কত
অভিযোগ দিয়ক

ভুৱা আঁচনিৰ বিষয়ে
অভিযোগ দিয়ক

আৰ.বি.আই,
আই.আৰ.ডি.এ.আই,
চেবী, এন.এইছ.বি দ্বাৰা
অধিনিয়মিত সত্বা সমূহৰ
বিষয়ে সন্ধান কৰক।

আপোনাৰ অভিযোগ দাখিল
আৰু ট্ৰেক কৰক

আপোনাৰ অভিযোগ দাখিল আৰু
ট্ৰেক কৰক

সচেত
An SLCC initiative

এছ.এল.চি.চি ৰ এক পদক্ষেপ

**www.sachet.rbi.org.in**

বিভিন্ন আইনৰ সম্বন্ধে
জ্ঞান আহৰন কৰক

নিয়ামকৰ দ্বাৰা পৰিচালিত
নোহোৱা আঁচনি সমূহৰ
বিষয়ে অধ্যয়ন কৰক।

আপোনাৰ মহানগৰ /
চহৰত অনুষ্ঠিত সজাগতা
কাৰ্যসূচীৰ বিষয়ে জানি
লওক আৰু তাত
অংশগ্ৰহণ কৰক

আপোনাৰ নিয়ামকক
সহায় কৰক

## বাৰ্তা -২  কেনেকৈ বেংক আৰু বেংকিং লোকপালত অভিযোগ দাখিল কৰিব

### অভিযোগ নিষ্পত্তি

**স্তৰ ১**

ইমেইল,
ৱেবচাইট,
গ্ৰাহক সেৱা ট'ল ফ্ৰী নম্বৰৰ জৰিয়তে আপোনাৰ বেংকত অভিযোগ দাখিল কৰক

সহাৰিৰ বাবে ৩০ দিন অপেক্ষা কৰক

**স্তৰ ২**

যদি বেংকৰৰ ফালৰ পৰা কোনো সহাৰি পোৱা নাই অথবা সহাৰি সন্তোষজনক নহ'লে, তেতিয়া বেংকিং লোকপালৰ লগত যোগাযোগ কৰক। আমাৰ দেশত মুঠতে বেংকিং লোকপালৰ ২০ টা কাৰ্যালয় আছে। বেংকিং লোকপালৰ সম্বন্ধে বিস্তৃত ভাৱে জানিবলৈ তথা অধিকাৰ ক্ষেত্ৰ সম্বন্ধে অৱগত হ'বলৈ লিংক পৰ্য্যবেক্ষণ কৰক
https://www.rbi.org.in/Scripts/bs_viewcontent.aspx?Id=164
ইমেইল, অনলাইন বা ডাক যোগে বি.অ'ক অভিযোগ দাখিল কৰিব পাৰিব।

লোকপালে বেংক আৰু উপভোক্তাৰ মাজত এক সমাধানৰ প্ৰয়াস কৰিব আৰু যদি সমিলমিলেৰে সমাধানৰ সূত্ৰ উলিওৱাত অসুবিধা হয়, তেন্তে প্ৰকৃত সত্য আৰু তেওঁলোকে দাখিল কৰা তথ্যপাতিৰ আধাৰত লোকপালে এটা সিদ্ধান্তত উপনীত হ'ব বা পুৰস্কৃত কৰিব।

**স্তৰ ৩**

নিৰ্ধাৰিত পৰিস্থিতিত যদি লোকপাল প্ৰদত্ত সমাধানত উপভোক্তা সন্তুষ্ট নহয় তেন্তে উপভোক্তাই আপীল কতৃপক্ষৰ ওচৰত ৩০ দিনৰ ভিতৰত এক আপীল কৰিব পাৰিব।

আপীল কতৃপক্ষ হ'ল আৰ.বি.আইৰ ডিপুটি গভৰ্নৰ

## বাৰ্তা ৩ ঃ সম্পদ পৰিকল্পনাৰ উপকৰণ সমূহ

জ্যেষ্ঠ নাগৰিকসকলৰ বাবে সম্পত্তি পৰিকল্পনাৰ বাবে বহুতো উপকৰন উপলব্ধ। সকলোতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল যে এইসকলোবোৰ মনেনীত অৱশ্য উইলে মনেনীত কৰণৰ ঠাই ল'ব পাৰে।

| | | |
|---|---|---|
| সকলো বিত্তীয় উৎপাদন আৰু সুৰক্ষিত ৰক্ষণাবেক্ষণ তথা নিৰাপদ জমাৰ বাবে উপলব্ধ। | দাবীৰ ক্ষীপ্ৰ সমাধান আৰু পীড়িত পৰিয়ালৰ জীৱিত সদস্য সকলৰ সংকত দূৰ কৰাত সহায় কৰে। | মনোনয়নৰ পঞ্জীয়ন কৰাতো নিশ্চিত কৰক। যেতিয়াই প্ৰয়োজন হয়, মনোনয়ন উন্নীতকৰণ কৰক। |

## অন্যান্য সম্পদপৰিকল্পনাৰ উপকৰণ সমূহ

- বিশ্বাস
- ক্ষমতাপত্ৰ
- উপহাৰ
- বিভাজন

- ইচ্ছা পত্ৰ
- উত্তৰাধিকাৰী
- জীৱন বীমা

## বাৰ্তা ৪ ঃ যদি আপুনি এগৰাকী পেঞ্চনাৰ তেন্তে আপোনাৰ মুখত হাঁহি বিৰিঙিবলৈ কাৰণ আছে।

পেঞ্চনৰ বাবে পৃথক একাউণ্ট খোলাৰ প্ৰয়োজন নাই




পেঞ্চনৰ একাউণ্ট অন্য শাখালৈ বা অন্য বেংকলৈ স্থানান্তৰিত কৰিব পাৰিব।

বৰ্তমানে থকা একাউণ্টটো পেঞ্চন প্ৰাপ্তিৰ বাবে ব্যৱহাৰ কৰিব পাৰিব।

সদায় মনত ৰাখিব, প্ৰত্যেক বছৰৰ নভেম্বৰ মাহত “লাইফ চাৰ্টিফিকেট”খন আপোনাৰ শাখাত জমা কৰিব আৰু সম্বন্ধিত বেংকৰ পৰা স্বাক্ষৰযুক্ত এখন প্ৰাপ্তি স্বীকাৰ ল'ব। জটিল ৰোগগ্ৰস্ত / অসমৰ্থতাৰ বাবে লাইফ চাৰ্টিফিকেট দিবলৈ অপৰাগ হোৱাৰ ক্ষেত্ৰত বেংকৰ বিষয়াই পেঞ্চনাৰৰ ঘৰলৈ / হাস্পতালৈ গৈ লাইফ চাৰ্টিফিকেট আনিব লাগিব।

www.jeevanpramaan.gov.in ত আধাৰ আৰু মোবাইল ব্যৱহাৰ কৰি “জীৱন প্ৰমাণ”-ডিজিটেল লাইফ চাৰ্টিফিকেট

# যৌথ একাউন্ট আৰু জমা অকালতে ফিৰাই লোৱা।

১ স্বামী-পত্নীৰ সৈতে এটা যৌথ একাউণ্ট খোলক আৰু এগৰাকীৰ নামত মনোনয়ন পঞ্জীয়ন কৰাটো বাঞ্চনীয় বা আপোনাৰ একাউণ্টৰ প্ৰদত্ত পৰিচালনা ‘হয়তো বা জীৱিত’ বা ‘প্ৰাক্তন বা জীৱিত’ পৰিচালনা নিদেৰ্শনাৰ পৰামৰ্শ দিয়া হৈছে।

২ প্ৰয়োজনৰ বাবে আপোনাৰ ফিক্সড / টাৰ্ম ডিপোজিটৰ অকালতে ফিৰাই লোৱাৰ ক্ষেত্ৰত, আপুনি এইটো নিশ্চিত কৰা প্ৰয়োজন যে তাৰ বাবে ডিপোজিট কৰা সময়ত বা যি সমূহ তথ্য পাতিৰ যোগান ধৰিছিল সেই সমূহ দাখিল কৰাটো বাধ্যতামূলক

৩ আপুনি এফ.ডি. ধনৰাশিৰ পৰিপক্ক হোৱাত দাবী নকৰাৰ ক্ষেত্ৰত, যদি আপুনি জমা কৰাৰ সময়ত সেই সুবিধা ৰাখিছিল, তেনেহ’লে অন্য এক সময়ৰ বাবে জমা ধনৰাশিৰ নৱীকৰণ স্বয়ং বেংকে কৰি দিব।

# বৃদ্ধ/ ৰোগীয়া/অসমৰ্থ ব্যক্তিৰ বাবে বেংক পৰিচালনা

১ যদি আপুনি বৃদ্ধ, অসুস্থ বা শাৰীৰিক ভাৱে অক্ষম, তেনেহ’লে আপুনি বুঢ়া আঙুলি চাপ ব্যৱহাৰ কৰি ধন ওলিয়াব পাৰে। বুঢ়া আঙুলিৰ চাপ বেংকৰ পৰিচিত দুগৰাকী স্বতন্ত্ৰ সাক্ষীৰ দ্বাৰা চিনাক্ত কৰি দিব লাগিব, তাৰে এগৰাকী দায়িত্বশীল বেংক বিষয়া হ’ব লাগিব।

২ যেতিয়া আপুনি বুঢ়া আঙুলিৰ চাপ দিবলৈ অসমৰ্থ হ’ব আৰু বেংকত সুশৰীৰে উপস্থিত হ’বলৈ অপৰাগ হ’ব, চেক / ধন উলিওৱা প্ৰ-পত্ৰত এটা চিহ্ন কৰি দিব পাৰে, যিটো দুগৰাকী স্বতন্ত্ৰ সাক্ষীয়ে চিনাক্ত কৰি দিব, তাৰে এগৰাকী বেংকৰ দায়িত্বশীল বিষয়া হোৱা উচিত।

৩ বেংকে আপোনাৰ চেক/ ধন উলিওৱা প্ৰ-পত্ৰৰ জৰিয়তে বেংকৰ পৰা ধন উলিওৱাৰ বাবে কোনো ব্যক্তিক চিনাক্ত কৰাই দিব ৰ বাবে জনাব পাৰে আৰু সেই ব্যক্তিগৰাকীক দুগৰাকী স্বতন্ত্ৰ সাক্ষীয়ে চিনাক্তকৰণ কৰি দিব লাগিব। প্ৰকৃততে যি গৰাকী লোকে বেংকৰ পৰা ধন উলিয়াব, তেওঁক বেংকত নিজৰ স্বাক্ষৰ দিবলৈ কোৱা হ’ব।

## বাৰ্তা ৫ ঃ অৱসৰৰ পিছৰ জীৱনৰ বাবে সুবিধাজনক বিনিয়োগ উপাদান

### জ্যেষ্ঠ নাগৰিক আঁচনি



অৱসৰ গ্ৰহণ কৰা ব্যক্তিৰ বাবে জ্যেষ্ঠ নাগৰিক চেভিং আঁচনি (এছ.চি.এছ.এছ), ২০০৪ এক সুন্দৰ আঁচনি। এছ.চি.এছ.এছে ২০১৭ চনত ৮.৩ শতাংশ অ'ফাৰ প্ৰদান কৰিছে তথা সূত ত্ৰৈমাসিক ভাৱে প্ৰদান কৰে। সূত প্ৰাপ্তি উপযোগী হাৰত কৰৰ ক্ষেত্ৰতো প্ৰযোজ্য হ'ব। এই বিনিয়োগ ১০০ শতাংশই নিৰাপদ, অৱশ্যে বিনিয়োগ ১৫ লাখ টকালৈ সীমাবদ্ধ।

### ফিক্সড ডিপোজিট



যিসকল ব্যক্তিৰ বাৰ্ষিক আয় ৫ লাখ টকাতকৈ কম তথা তেওঁলোক ৫ শতাংশ কৰ গন্দীৰ ভিতৰত, তেওঁলোকৰ বাবে ফিক্সড ডিপোজিট এক ভাল সুযোগ। যিসকল ব্যক্তিৰ বাৰ্ষিক আয় ৫ লাখ টকাতকৈ অধিক তথা ফিক্সড ডিপোজিটৰ পৰা অৰ্জিত সূত আয়ৰ ওপৰত ২০ /৩০ শতাংশ কৰ আদায় দিব লাগে।

### পৰিবৰ্ত্তিত বন্ধকী



যিলোকৰ অৱসৰ ধনৰাশি অপৰ্যাপ্ত, কিন্তু নিজৰ ঘৰ-মাটি আছে, পৰিবৰ্ত্তিত বন্ধকীৰ সুবিধাৰে অৱসৰৰ পিছত অতিৰিক্ত নগদ ধনৰাশিৰ আহৰণ হোৱাত সহায় কৰে।

এই সুবিধা আয়ৰ অলপতে জাৰি হোৱা নিয়মৰ অধীনত কৰ মুক্তৰে অৱসৰ প্ৰাপ্ত ব্যক্তিক অতিৰিক্ত লাভ প্ৰদান কৰে।

### পেঞ্চন আঁচনি




বীমা কোম্পানীসমূহে পেঞ্চন বীমা আঁচনি প্ৰদান কৰে। পেঞ্চন আঁচনিসমূহে অৱসৰ গ্ৰহণ কৰা ব্যক্তিসকলক বিনিয়োগক সময় নিৰ্ধাৰিত কৰি ৰিৰ্টাণৰ হাৰ অনুসৰি সুনিশ্চিত ধন প্ৰদান কৰে। ইয়াৰ বছৰেকীয়া আদায়, যেনে ৫, ১০, ১৫ বছৰৰ বাবে ফিক্সড পেমেণ্ট টাৰ্ম, বিনিয়োগকাৰীৰ মৃত্যুত মূল ধনৰাশি ঘূৰাই দিয়া, স্বামী-স্ত্ৰীৰ আজীৱন পৰ্যন্ত বছৰেকীয়াকৈ ধন আদায় দিয়া আদিৰ ব্যৱস্থা উপলব্ধ। যেনে মাহেকীয়া আয় আঁচনি (এম.আই.এছ), বছৰেকীয়া প্ৰাপ্তি কৰযুক্ত হ'ব।

## আৰ.বি.আইৰ নতুন পদক্ষেপ ঃ জ্যেষ্ঠ নাগৰিকৰ বাবে বেংকিং সুবিধা

| | |
|---|---|
| উৎসৰ্গিত কাউণ্টাৰ / জেষ্ঠ নাগৰিক, দিব্যাংগ ব্যক্তিৰ বাবে প্ৰস্তুত | জ্যেষ্ঠ নাগৰিক আৰু দৃষ্টিশক্তিহীন সম্বন্বিতে দিব্যাংগসকলৰ বাবে এটা সুস্পষ্ট কাউণ্টাৰ বা তেওঁলোকক অগ্ৰাধিকাৰ দিয়া কাউণ্টাৰ উৎসৰ্গিত কৰাৰ বাবে বেংককপৰামৰ্শ প্ৰদান কৰিছে। |
| লাইফ চাৰ্টিফিকেট জমা কৰাত শিথিলতা | ‘জীৱন প্ৰমাণ’ আঁচনিৰ অধীনত ডিজিটেল লাইফ চাৰ্টিফিকেটৰ সুবিধা দিয়া উপৰিও পেঞ্চনাৰসকলে যিকোনো পেঞ্চন প্ৰদানকাৰী বেংকত সুশৰীৰে গৈ লাইফ চাৰ্টিফিকেট জমা কৰিব পাৰে।<br>জমা প্ৰাপ্তি কৰা বেংকটোৱে সেইখন ক’ৰ বেংকিং চল্যুশ্বন (চি.বি.এছ) প্ৰণালীৰ মাধ্যমেৰে কোনো বিলম্ব নোহোৱাকৈ পেঞ্চনৰ বাবে জমা কৰি দিব লাগিব। |
| একাউন্টৰ স্থিতি স্বয়ংক্ৰিয় সাল-সলনি | কে.ৱাই.চি. - দিয়াৰ পিছত একাউণ্টসমূহক বেংকত থকা তথ্য অনুসৰি জন্ম-তাৰিখৰ আধাৰত জ্যেষ্ঠ নাগৰিক একাউণ্টলৈ স্বয়ংক্ৰিয় ভাৱে পৰিবৰ্তন কৰি লোৱা হ’ব। |
| প্ৰ-পত্ৰ ১৫ জি/ এইছ ঃ ভৰ্তি কৰাৰ শিথিলতা | বেংকসমূহক পৰামৰ্শ দিয়া হয় যে এবছৰত (এপ্ৰিল মাহক অগ্ৰাধিকাৰ দি ) জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগসকলৰ প্ৰ-পত্ৰ ১৫ জি/ এইছ জমা কৰিবলৈ কোৱা হয়, যাতে নিৰ্ধাৰিত সময়ত সেইখন, য’ত প্ৰযোজ্য হয়, তাত জমা কৰিব পাৰে। |
| দুৱাৰদলিত বেংকিং | বেংকসমূহক এনে ধৰণৰ গ্ৰাহকক চৌহদত/ আৱাসত বুনিয়াদি বেংকিং সুবিধাসমূহ, যেনে-নগদ ধন সংগ্ৰহ কৰা আৰু তাৰ বিপৰীতে ৰিচিপ দিয়া, ধন উলিওৱা প্ৰ-পত্ৰৰ বিপৰীতে নগদ ধনৰাশি দি অহা, ডিমাণ্ড ড্ৰাফ্ট দি অহা, আপোনাৰ গ্ৰাহকৰ বিষয়ে অৱগত হওক (কে.ৱাই.চি) তথ্যপাতি আৰু লাইফ চাৰ্টিফিকেট প্ৰদান কৰিবলৈ পৰামৰ্শ দিয়া হৈছে। |

## আয়কৰ ৰিটাৰ্ণ জমা কৰাৰ স্তৰ

| স্তৰ - ১ | স্তৰ - ১ | স্তৰ - ১ | স্তৰ - ১ | স্তৰ - ১ | স্তৰ - ১ |
|---|---|---|---|---|---|
| www.incometaxindiaefilling.gov.in অৱলোকন কৰক। | যদি আপুনি ইতিমধ্যে পঞ্জীকৃত, তেন্তে আপোনাৰ পান আৰু পাছৱৰ্ডৰ সৈতে ল’গিন কৰক, যদি নহয় পান পঞ্জীয়ন কৰক আৰু পাছবৰ্ড লাভ কৰক। | হোম পেজৰ ডাউনলোড চেক্‌শ্বনলৈ যাওক আৰু নিম্নলিখিত ৰূপত ITR XL Utility বাচনি কৰক। ITR-1 দৰমহাৰ পৰা আয় হোৱা ব্যক্তিৰ বাবে, এটা ঘৰ সম্পত্তি, অন্য-উৎস (সূত আদি) থকা আৰু মুঠ আয় পুঞ্জ লাখ টকা পৰ্যন্ত।<br>ITR-2 ব্যক্তি বা এইছ.ইউ.এফ সমূহ, যি কোনো মালিকীচৰ্তৰ অধীনত ব্যৱসায় নকৰে বা বৃত্তিধাৰী নহয়।<br>ITR-4 ব্যৱসায় বা বৃত্তিৰ পৰা অনুমানিক আয়ৰ বাবে। | এক্স.এল. শ্বীটত বিৱৰণী পূৰাওক আৰু এক্স.এম.এল. ফাইল বনাওক। | আপোনাৰ পান আৰু পাছৱৰ্ডৰে ল’গিন কৰক আৰু এক্স.এম.এল ফাইলটো আপলোড কৰক। | আধাৰ কাৰ্ডৰ আধাৰত অ’.টি.পি.ৰ জৰিয়তে আপোনাৰ দ্বাৰা দাখিল তথ্যৰ ই-ভেৰিফিকেশ্বন। |

*মনত ৰাখিব আপোনাৰ কৰ ৰটাৰ্ণ প্ৰতি বছৰে ৩১*

### প্ৰ-পত্ৰ ১৫ জি আৰু প্ৰ-পত্ৰ-১৫ এইছ

আপুনি প্ৰ-পত্ৰ ১৫ এইছ পূৰণ কৰিব পাৰে, যদি আপোনাৰ বয়স ৬০ বছৰতকৈ অধিক আৰু এটা পান (পাৰ্মেণেণ্ট একাউণ্ট নম্বৰ) আছে আৰু সেই বছৰটোৰ বাবে আপোনাৰ মুঠ আয়ত কৰ শূন্য হয়। এনে ক্ষেত্ৰত, বেংকে আয় কৰ অধিনিয়ম, ১৯৬২ ৰ অধীনত জমাৰ পৰা টি.ডি.এছ কৰ্তন নকৰে। লগতে প্ৰ-পত্ৰ ১৫ এইছ জমা কৰাৰ সময়ত আপোনাৰ বেংকৰ পৰা এখন প্ৰাপ্তি স্বীকাৰ লাভ কৰিব। আনহাতে, প্ৰ-পত্ৰ ১৫ এইছখন ৬০ বছৰৰ অধিক বয়সৰ ব্যক্তিৰ বাবে তথা প্ৰ-পত্ৰ ১৫ জি খন ৬০ বছৰতকৈ কম বয়সৰ ব্যক্তিৰ বাবে। আন এক অতিৰিক্ত চৰ্ত প্ৰ-পত্ৰ ১৫ জিত বহন কৰিব লাগে, সেইটো হ’ল বাৰ্ষিক (২০১৭-১৮ চনৰ বাবে

ৰিটাৰ্ণ জমা কৰিবলৈ যদি আপুনি যিকোনো সহায়ৰ প্ৰয়োজন অনুভৱ কৰে, ৱেবচাইট www.trpscheme.com ৰপৰা আয়কৰ বিভাগৰ দ্বাৰা নিযুক্ত এগৰাকী কতৃত্বশীল কৰ ৰিটাৰ্ণ প্ৰস্তুতি বিশেষজ্ঞৰ সহায় ল’ব পাৰে।

বিস্তৃত বিৱৰণীৰ বাবে অনুগ্ৰহ কৰি অৱলোকন কৰক। www.incometaxindiaefilling.gov.in

## লক্ষ্য কেন্দ্রীভূত বিত্তীয় সাক্ষৰতা সামগ্ৰী

বিত্তীয় অন্তৰ্ভুক্তিৰ মধ্যকালীন পথৰ বাবে এটা মনোনীত সমিতি শ্ৰীদীপক মহান্তীৰ অধ্যক্ষতাত গঠিত হৈছে। ভাৰতীয় ৰিজার্ভ বেংকে 'সকলো একে ধৰণৰ' বিত্তীয় শিক্ষা নীতিৰ বাবে বিভিন্ন টাৰ্গেট গ্ৰুপৰ বাবে বিভিন্ন ধৰণৰ বিত্তীয় শিক্ষাৰ প্ৰয়োজন হয়। ফলস্বৰূপে বিভিন্ন টাৰ্গেট গ্ৰুপৰ বাবে বিষয়বস্তু ভিন্ন ধৰণৰ হয়।

ভাৰতীয় ৰিজার্ভ বেংকৰ আৰ্থিক অন্তৰ্ভুক্তি আৰু বিকাশ বিভাগে অনুকুলিত বিত্তীয় সাক্ষৰতাৰ বাবে বেলেগ বেলেগ টাৰ্গেট গ্ৰুপৰ বাবে যেনে - কৃষক, ক্ষুদ্ৰ উদ্যোগী, স্কুলীয়া ছাত্ৰ, আত্ম সহায়ক গোট আৰু জ্যেষ্ঠ নাগৰিকৰ বাবে বেলেগ পাঠ্যক্ৰম যুগুত কৰিছে। এই কিতাপখন অনুকুলিত আৰ্থিক সাক্ষৰতাৰ বিষয়ে লিখা হৈছে।

**সতৰ্কীকৰণঃ**

এই কিতাপখন পঢ়া আৰু শিক্ষণ সামগ্ৰী হিচাপে আগ বঢ়োৱা হৈছে যাতে পাঠকসকলক বিত্তীয় সাক্ষৰ কৰিব পাৰি। ইয়াৰ দ্বাৰা পাঠকসকলক কোনো বিশেষ ফাইনেন্সিয়েল প্ৰডাক্ট বা সেৱাৰ প্ৰতি উৎসাহিত কৰাৰ চেষ্টা কৰা হোৱা নাই।

ক'পি ৰাইট

প্ৰথম সংস্কৰণ, এপ্ৰিল, ২০১৮

উৎসৰ জ্ঞাতসাৰে পুনৰ মুদ্ৰণ কৰিব পাৰিব।

**লেখক আৰু প্ৰকাশকঃ**

বিত্তীয় অন্তৰ্ভুক্তি আৰু বিকাশ বিভাগ
ভাৰতীয় ৰিজার্ভ বেংক
১০ ম মহলা, কেন্দ্ৰীয় কাৰ্যালয় বিল্ডিং
শ্বহীদ ভগত সিং মাৰ্গ
ফ'ৰ্ট, মুম্বাই।

**কৃতজ্ঞতাঃ**

**ডিজাইনঃ** কৌশিক ৰামচন্দ্ৰণ

বিত্তীয় অন্তৰ্ভুক্তি আৰু বিকাশ বিভাগ
ভাৰতীয় ৰিজাৰ্ভ বেংক
১০ ম মহলা, কেন্দ্ৰীয় কাৰ্যালয়
মুম্বাই - ৪০০ ০০১, ভাৰত।